পৰিস্থিতিৰ দ্ৰুত সলনিয়ে কি সূচাইছে?

চলিত বৰ্ষৰ আৰম্ভণিতে অনুষ্ঠিত আন চাৰিখন ৰাজ্যৰ লগতে উত্তৰ প্ৰদেশৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে অভূতপূৰ্ব জয় সাব্যস্ত কৰাৰ পাছতে দলটোৰ ঘোৰ শত্ৰুৰেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল যে ২০১৯ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পথ সম্পূৰ্ণৰূপে মসৃণ। অৰ্থাৎ আগন্তুক লোকসভা নিৰ্বাচনত মোদীৰ অশ্বমেধৰ দৌৰ অপ্ৰতিৰোধ্য বুলি চৰ্চিত হৈছিল। আনকি কংগ্ৰেছৰ সহযোগী নেচনেল কনফাৰেন্স দলৰ মুৰব্বী তথা জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই মুকলি কৈছিল যে বিৰোধীয়ে ২০১৯ৰ কথা পাহৰি যাওক। বিৰোধীৰ বাবে প্ৰস্তুতিৰ সময় অথবা চৰকাৰ গঠনৰ সপোন ২০২৪ বুলিহে আব্দুল্লাই ইংগিত দিয়ে। বিৰোধী নেতাজনৰ এই মন্তব্যই মোদীৰ পথ সম্পূৰ্ণৰূপে মসৃণ হোৱাটো প্ৰতিপন্ন কৰিছিল। আনকি একাংশ বিদেশী ৰাজনৈতিক বিশ্লেষকেও আগন্তুক লোকসভা নিৰ্বাচনত মোদীৰ অশ্বমেধৰ দৌৰ অব্যাহত থাকিব বুলি মতপোষণ কৰিছিল। কিন্তু দিন অতিবাহিত হোৱাৰ লগে লগে পৰিস্থিতিৰ দ্ৰুত সলনি হৈছে। মোদী তথা বিজেপিয়ে ২০১৯ত সহজেই বিজয়ধ্বজা উৰুৱাবলৈ সক্ষম হ'ব বুলি ধাৰণা কৰা লোকৰ সংখ্যা দিনে দিনে হ্ৰাস পাবলৈ ধৰিছে। কাৰণ পৰিস্থিতিৰ দ্ৰুত সলনি হৈছে। দেশৰ আৰ্থিক অৱস্থাৰ পৰা আৰম্ভ কৰি বিগত তিনি বছৰত বিজেপি অথবা মোদীয়ে কি দিলে, তাৰ হিচাপ-নিকাচ দেশৰ জনতাই কৰিবলৈ লৈছে। কেৱল পূৰ্বৰ কংগ্ৰেছৰ

২০১৯ মসৃণ হ'ব নে মোদীৰ পথ?

শাসনক অথবা স্বাধীনতাৰ পাছৰ ৭০ বছৰৰ কথা আওঁৰায়ে পুনৰ শাসনৰ গাদী দখলৰ পথ বিজেপিৰ বাবে দখল কৰাটো সম্ভৱ নহ'ব বুলি বহু ৰাজনৈতিক বিশ্লেষকে গুণা-গথা কৰিবলৈ লৈছে। আনকি একাংশ ৰাজনৈতিক বিশ্লেষকে বিজেপিৰ বিকল্প কংগ্ৰেছ হ'ব নোৱাৰে বুলি আখ্যা দিয়াৰ বিপৰীতে আন একাংশ বিশ্লেষকে দেশৰ বিভিন্ন প্ৰান্তৰ আঞ্চলিক দলসমূহে বিজেপিৰ বিকল্প ভূমিকা লোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে। ২০১৪ৰ পৰা ২০১৭লৈ বিজেপি অথবা মোদীয়ে প্ৰকৃততে দেশবাসীক কি দিলে, সেয়া দেশৰ প্ৰতিজন লোকে জানিবলৈ বিচৰাটো স্বাভাৱিক কথা। গতিকে সময় থাকোতে বিজেপিয়ে আত্মবিশ্লেষণ কৰাৰ প্ৰয়োজন বুলি বহু ৰাজনৈতিক বিশ্লেষকে মন্তব্য কৰিছে। কেৱল দোষাৰোপ আৰু প্ৰতিশ্ৰুতিৰে যে অধিক দিন এটা দলে শাসন ধৰি ৰাখিব নোৱাৰে, সেয়া ইতিহাসে প্ৰমাণিত কৰি আহিছে। সম্প্ৰতি কংগ্ৰেছ উপ-সভাপতি ৰাহুল গান্ধীয়ে নিজকে দেশৰ ৰাজনীতিত প্ৰাসংগিক কৰি তুলিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে যদিও তেওঁকো দেশবাসীয়ে আদৰি লোৱাৰ সম্ভাৱনা ক্ষীণ। কিন্তু বৰ্তমানৰ পৰিস্থিতি বৰ্তি থাকিলে মুৰকত কংগ্ৰেছৰ সপক্ষে পুনৰ টো বলাৰ সম্ভাৱনাও ৰাজনৈতিক বিশ্লেষকসকলে নুই কৰা নাই। অৰ্থাৎ দেশৰ বৰ্তমানৰ পৰিস্থিতি সলনি নহ'লে মোদীয়ে পুনৰ কেন্দ্ৰত চৰকাৰ গঠনৰ বাবে কঠোৰ সংগ্ৰাম কৰিব লগাতো অৱধাৰিত হৈ পৰিব।

মোদীৰ সন্মুখত কিহে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে?

বিগত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ চলোৱাৰ সময়ত মোদীয়ে ভালদিন অনাৰ প্ৰতিশ্ৰুতি দিছিল। প্ৰতি বছৰে কমেও এক কোটি যুৱক-যুৱতীক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিও তেওঁ দিছিল। কিন্তু বিগত তিনি বছৰত দেশবাসীয়ে এনে পৰিৱৰ্তন অনুভৱ কৰিছে নে, তাৰ হিচাপ-নিকাচ সম্প্ৰতি আৰম্ভ হৈছে। মোদী চৰকাৰে ৰূপায়ণ কৰা মেক ইন ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া আদি আঁচনিসমূহৰ সুফল যুৱ সমাজে ভোগ কৰিবলৈ সক্ষম হৈছে নে, তাৰ হিচাপ-নিকাচো আৰম্ভ হ'বলৈ ধৰিছে। একেদৰে যোৱা নৱেম্বৰত ঘোষণা কৰা বিমুদ্ৰাকৰণ, যোৱা জুলাইৰ পৰা ৰূপায়ণ কৰা সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) ৰ সুফল দেশবাসীয়ে পাইছে নে, তাৰো চিন্তা-চৰ্চা চলিছে। তদুপৰি আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ প্ৰতি বেৰেলৰ মূল্য ৬০ ডলাৰতকৈ কম হোৱাৰ পাছতো ভাৰততে পেট্ৰ'ল-ডিজেলৰ দাম কিয় ৭০ টকাতকৈ অধিক, তাৰ কাৰণ নিৰ্ণয়ৰো চেষ্টা চলিছে। ভাৰতীয় ষ্টেট বেংককে ধৰি একাংশ বেংকে একাউণ্টত ন্যূনতম পৰিমাণৰ ধন জমা ৰাখিবলৈ সক্ষম নোহোৱা দৰিদ্ৰ জনতাৰ ওপৰত কিয় জৰিমনা অথবা মাচুল জাপি দিছে, তাক লৈয়ো চৰ্চা হৈছে। বেংকৰ এই জৰিমনা অথবা মাচুলে ঘাইকৈ দৰিদ্ৰ আৰু বিভিন্ন উচ্চ শিক্ষানুষ্ঠানত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীকে ক্ষতি কৰিছে। ভাৰতৰ ছাত্ৰ-ছাত্ৰীসকলেও নিজাকৈ ধন আৰ্জন কৰাৰ নজিৰ নাই। শিক্ষা গ্ৰহণৰ খৰচ তেওঁলোকে পিতৃ-মাতৃ অথবা পৰিয়ালৰ লোকৰ পৰাই লাভ কৰে। মোদীয়ে পূৰ্বে দিয়া ভালদিনৰ প্ৰতিশ্ৰুতি এয়াই আছিল নেকি বুলিও বিভিন্নজনৰ মাজত চৰ্চা হৈছে। এনেদৰে বিভিন্ন ক্ষেত্ৰত কৰ আৰু জৰিমনা অথবা মাচুল ভৰি দৰিদ্ৰ জনতা হাবাশাস্তিৰ সন্মুখীন হোৱাৰ পাছতো দেশৰ আৰ্থিক প্ৰগতি দিন অতিবাহিত হোৱাৰ লগে লগে মন্থৰিত হৈছে কিয়? আৰ্থিক প্ৰগতি স্তব্ধ হোৱাৰ এটা উদাহৰণ হ'ল চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা মাৰ্চলৈ দেশৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) ৬.১ শতাংশ আছিল যদিও এপ্ৰিলৰ পৰা জুনলৈ ইয়াৰ পৰিমাণ ৫.৭ শতাংশলৈ হ্ৰাস পায়। অৰ্থাৎ বিমুদ্ৰাকৰণৰ প্ৰভাৱত সাময়িকভাৱেহে কিছু ক্ষতিসাধন হ'ব বুলি মোদী চৰকাৰে দাবী কৰিছিল যদিও ইয়াৰ প্ৰভাৱ দীঘলীয়া হোৱাৰ আশংকা অধিক হৈছে। একেদৰে ততাতৈয়াকৈ বলবৎ কৰা জি এছ টিয়েও আৰ্থিক প্ৰগতি বাধাগ্ৰস্ত কৰিব বুলি আশংকা কৰিছে একাংশ অৰ্থনীতিবিদে। আন্তৰ্জাতিক সংস্থা অৰ্থনৈতিক সহযোগিতা আৰু বিকাশ সংস্থা (অ' ই চি ডি)য়ো বিমুদ্ৰাকৰণ আৰু জি এছ টিয়ে দেশৰ বিকাশ বাধাগ্ৰস্ত কৰিব বুলি পূৰ্বানুমান প্ৰকাশ কৰিছে। সংস্থাটোৱে পূৰ্বে চলিত বিত্তীয় বৰ্ষটোত দেশৰ আৰ্থিক বিকাশ ৭.৩ শতাংশ হ'ব বুলি ধাৰ্য কৰিছিল। কিন্তু শেহতীয়াভাৱে সংস্থাটোৱে দেশৰ আৰ্থিক বিকাশ চলিত বিত্তীয় বৰ্ষটোত ৬.৭ শতাংশ হ'ব বুলিহে মন্তব্য কৰিছে। এনেবোৱ দিশে সাধাৰণ জনতালৈ ভালদিন অনাৰ সম্ভাৱনা সুদূৰ পৰাহত কৰিছে। গতিকে মোদীয়েও প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। একাংশ অৰ্থনীতিবিদৰ মতে, বিমুদ্ৰাকৰণৰ সিদ্ধান্তই ভুল আছিল। কাৰণ যোৱা বছৰৰ এপ্ৰিলৰ পৰা জুনৰ সময়ছোৱাত জি ডি পি ৭.৯ শতাংশ হোৱাৰ বিপৰীতে এইবাৰ ৫.৭ শতাংশ হয়। ইয়াৰ দ্বাৰাই বিমুদ্ৰাকৰণ ভুল সিদ্ধান্ত আছিল বুলি বহু অৰ্থনীতিবিদে আঙুলিয়াই দিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে যোৱা ফেব্ৰুৱাৰীতে বিমুদ্ৰাকৰণে জি ডি পিৰ দুই শতাংশ হ্ৰাস কৰিব বুলি মন্তব্য কৰিছিল। সম্প্ৰতি তেওঁৰ এই মন্তব্য শুদ্ধ প্ৰমাণিত হৈছে। কাৰণ জি ডি পি দুই শতাংশতকৈ অধিক হ্ৰাস পালে। ইয়াৰ বিপৰীতে মোদীয়ে বিমুদ্ৰাকৰণৰ সমালোচকসকলক উভতি ধৰি কৈছিল যে হাৰ্ভাৰ্ডতকৈ হাৰ্ডৰৰ্ক অথবা কঠোৰ পৰিশ্ৰম শ্ৰেষ্ঠ। উত্তৰ প্ৰদেশৰ বিগত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তেওঁ এই বাণী আওৰায়ে চলাইছিল। মোদীয়ে কৈছিল যে তেওঁ এজন সাধাৰণ লোক, যিয়ে দেশৰ সৰ্বসাধাৰণৰ বাবে কাম কৰিবলৈ আগবাঢ়ি আছিল। কিন্তু সময় অতিবাহিত হোৱাৰ লগে লগে মোদীৰ মন্তব্য ভুল প্ৰতিপন্ন হ'বলৈ ধৰিছে। ইয়ে স্বাভাৱিকতে তেওঁৰ সন্মুখলৈ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। আনহাতে, বিজেপি সভাপতি অমিত শ্বাহকে ধৰি একাংশ নেতা-নেত্ৰীৰ শেহতীয়া মন্তব্যয়ো দেশৰ জনতাক ক্ষুব্ধ কৰিবলৈ লৈছে। কাৰণ কিছুদিন পূৰ্বে বিজেপি সভাপতি শ্বাহে কাৰিকৰী কাৰণতহে জি ডি পি হ্ৰাস পাইছে বুলি মন্তব্য কৰিছিল। কিন্তু ভাৰতীয় ষ্টেট বেংকৰ শেহতীয়া এক প্ৰতিবেদনত কোৱা হৈছে যে দেশৰ আৰ্থিক বিকাশ নিম্নগামী হোৱাৰ কাৰণ কাৰিকৰী নহয়। এই ক্ষেত্ৰত মোদীৰ বাবে অধিক উদ্বেগৰ বিষয়টো হ'ল যে এই আৰ্থিক মন্দাৱস্থা অধিক দিন বৰ্তি থকাৰ আশংকা এছ বি আইৰ উক্ত গৱেষণাধৰ্মী প্ৰতিবেদনত কোৱা হৈছে। সম্ভৱতঃ বিজেপি সভাপতি শ্বাহে নাজানিলেও মোদী ভালদৰে অৱগত যে দেশৰ সম্প্ৰতি দেশৰ অৰ্থনীতিলৈ প্ৰকৃতাৰ্থতে ভাবুকি আহিছে। সময়ত এই ভাবুকিক বিৰোধীয়ে তেওঁৰ বিৰুদ্ধে অস্ত্ৰ কৰি ল'ব পাৰে। অৰশ্যে এই জটিল সংকট মোচনৰ চেষ্টা চলাইছে। ইয়াৰ অংশৰূপে চৰকাৰে ৰপ্তানি বৃদ্ধি, ঘৰুৱা বিনিয়োগকাৰীক উৎসাহিত কৰা, ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগসমূহক উজ্জীৱিত কৰিবলৈ ৪০ হেজাৰ কোটি টকা মুকলি কৰাৰ লক্ষ্য লৈছে। কিন্তু এই বিপুল পৰিমাণৰ ধন মুকলি কৰি দিলেও আৰ্থিক খহনীয়া ৰোধ হ'ব নে নাই, তাক লৈ বহু অৰ্থনীতিবিদ সন্দিহান হৈ আছে। এই অৰ্থনীতিবিদসকলৰ মতে, এই ৪০ হেজাৰ কোটি টকা মুকলি হোৱা মানেই মুদ্ৰাস্ফীতি আৰু চলিত দেনা-পাওনাৰ ঘাটি অধিক বৃদ্ধি হ'ব। ফলত চৰকাৰৰ বাবেই এক বোজাৰূপে পৰিগণিত হোৱাৰ আশংকা আছে। ছিংগাপুৰস্থিত ডি বি এছ নামৰ সংস্থাটোৰ মতে, ২০০৮-০৯ত বিশ্ব অৰ্থনীতি মহাসংকটত ডুব যোৱাৰ সময়ত ভাৰতে গ্ৰহণ কৰা মুদ্ৰানীতিয়ে দেশৰ অৱস্থা আৰ্থিকভাৱে টনকিয়াল কৰি ৰাখে। তেতিয়া চৰকাৰে বিস্তৰ ধন বিনিয়োগ কৰাত আৰ্থিক বিকাশ দ্বৈত অংকৰ হয়। ফলত বিমুদ্ৰাকৰণৰ প্ৰাক্ মুহূৰ্তলৈ ভাৰত বিশ্ব অৰ্থনীতিত উজ্জ্বল চিহ্নৰূপে চিহ্নিত হৈ আছিল। ভাৰতৰ আৰ্থিক প্ৰগতিৰ ওচৰত নিষ্প্ৰভ হৈ পৰিছিল চীন। কিন্তু বিমুদ্ৰাকৰণৰ পাছতে চীনে ভাৰতক প্ৰগতিৰ ক্ষেত্ৰত বহু দূৰ চেৰা পেলায়। আনকি বাংলাদেশৰ দৰে দেশেও আৰ্থিক প্ৰগতিৰ ক্ষেত্ৰত ভাৰতত চেৰ পেলাবলৈ সক্ষম হৈছে। সম্প্ৰতি চৰকাৰে আৰ্থিক প্ৰগতি বৃদ্ধিৰ বাবে ৪০ হেজাৰ কোটি টকা মুকলি কৰি দিলেও বিত্তীয় ঘাটিৰ হ্ৰাসৰ ক্ষেত্ৰত চৰকাৰ আন এক সমস্যাৰ সন্মুখীন হ'ব পাৰে। কাৰণ সম্প্ৰতি চৰকাৰে চলিত বিত্তীয় বৰ্ষটোত বিত্তীয় ঘাটি ৩.২ শতাংশত সীমাবদ্ধ ৰখাৰ লক্ষ্য লৈছে। কিন্তু চৰকাৰৰ ঘৰৰ পৰা ৪০ হেজাৰ কোটি টকা মুকলি কৰি দিলে, সেয়া বিত্তীয় ঘাটিৰ স'তে গণনা হ'ব।

> ২০১৪ৰ পৰা ২০১৭লৈ বিজেপি অথবা মোদীয়ে প্ৰকৃততে দেশবাসীক কি দিলে, সেয়া দেশৰ প্ৰতিজন লোকে জানিবলৈ বিচৰাটো স্বাভাৱিক কথা। গতিকে সময় থাকোতে বিজেপিয়ে আত্মবিশ্লেষণ কৰাৰ প্ৰয়োজন বুলি বহু ৰাজনৈতিক বিশ্লেষকে মন্তব্য কৰিছে। কেৱল দোষাৰোপ আৰু প্ৰতিশ্ৰুতিৰে যে অধিক দিন এটা দলে শাসন ধৰি ৰাখিব নোৱাৰে, সেয়া ইতিহাসে প্ৰমাণিত কৰি আহিছে।

এক মহাবিলুপ্তিৰ দিশত অগ্ৰসৰ হৈছে এই ধৰা। আৰু মাত্ৰ ৭০-৮০ বছৰৰ পাছতে বিলুপ্ত হ'ব এই জগৎ! এনে ধৰণৰ বাতৰি এতিয়ালৈকে অসংখ্যবাৰ বিজ্ঞানীসকলে প্ৰচাৰ কৰি আহিছে। শেহতীয়াভাৱে বিশ্বখ্যাত মেছাচুচেটছ ইনষ্টিটিউট অৱ টেকন'লজী (এম আই টি)ৰ বিজ্ঞানী অধ্যাপক ডেনিয়েল ৰথমেনে এনে এক নতুন ভৱিষ্যদ্বাণী প্ৰকাশ কৰিছে। এম আই টিৰ এইগৰাকী গৱেষক অধ্যাপকৰ দাবী যে ২১০০ বৰ্ষৰ ভিতৰত এই ধৰাৰ বুকুত আৰম্ভ হ'ব এক মহাবিলুপ্তি প্ৰক্ৰিয়া। বিজ্ঞানীগৰাকীয়ে লগতে সম্ভাব্য এই মহাবিলুপ্তিকৰণৰ বাবে জগৰীয়া কৰিছে বিশ্বজুৰি ভয়াৱহ ৰূপ ধাৰণ কৰা উষ্ণতা বৃদ্ধিৰ সমস্যাটোক। গোলকীয় উষ্ণতা বৃদ্ধিৰ ভয়াৱহ পৰিণতি হিচাপে এই ধৰাই ষষ্ঠবাৰৰ বাবে মহাবিলুপ্তৰ কবলত পৰিব বুলিও ৰথমেনে মত প্ৰকাশ কৰিছে। কেতবোৰ গাণিতিক সূত্ৰৰ বিশ্লেষণৰ জৰিয়তে এম আই টিৰ গৱেষকগৰাকীয়ে ভৱিষ্যদ্বাণী কৰিছে যে আৰু ৭০-৮০ বছৰৰ ভিতৰতে এই পৃথিৱীত পৰৱৰ্তী সামূহিক বিলুপ্তিকৰণ প্ৰক্ৰিয়াটো আৰম্ভ হ'ব। এই মহাবিলুপ্তি ইমানে ভয়াৱহ হ'ব যে ধৰাৰ বুকুৰ পৰা লোপ পাব এটাৰ পাছত আন এটা জীৱ। ২১০০ৰ ভিতৰতে এই বিশ্ব ষষ্ঠবাৰৰ বাবে ধ্বংস হৈ পুনৰ ধৰাৰ বুকুত নতুন জীৱ সৃষ্টিৰ প্ৰক্ৰিয়াৰ সূচনা হোৱাৰ সম্ভাৱনাৰ কথাও ৰথমেনে তেওঁৰ এক প্ৰতিবেদনত প্ৰকাশ কৰিছে।



গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিণতি ২১০০ত বিলুপ্ত হ'ব জগৎ!

কিয় বিলুপ্ত হ'ব পৃথিৱী?

অধ্যাপক ৰথমেনৰ মতে, বিশ্বত মহাবিলুপ্তিকৰণ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে আৰু এই প্ৰক্ৰিয়াটোৱে ২১০০ত সবাতোকৈ চৰম অৱস্থাত উপনীত হ'ব। গণিতৰ সাধাৰণ সূত্ৰৰ আধাৰতে অধ্যাপকগৰাকীয়ে কয় যে পৃথিৱীত কাৰ্বনৰ পৰিমাণ যিমানে বৃদ্ধি পাব সিমানে ধৰাৰ বুকুত জীৱ জগতৰ অস্তিত্বৰ বিলুপ্তিকৰণ প্ৰক্ৰিয়াটো দ্ৰুত হ'ব। ২১০০ত পৃথিৱীৰ বুকুত থকা সাগৰ-মহাসাগৰৰ ৩১০ গিগাটন অতিৰিক্ত কাৰ্বন জমা হ'ব আৰু কাৰ্বনৰ এই পৰিমাণ বৃদ্ধিৰ পৰিণতিত পাৰিপাৰ্শ্বিকতা সম্পূৰ্ণৰূপে ধ্বংসৰ গৰাহত পৰিব বুলি বিজ্ঞানীগৰাকীয়ে শংকা প্ৰকাশ কৰিছে। বিজ্ঞানীগৰাকীয়ে ইয়াৰ ব্যাখ্যা আগবঢ়াই কয় যে যেতিয়া মহাসাগৰত কাৰ্বন বা কাৰ্বনডাই অক্সাইড মিশ্ৰিত হ'ব তেতিয়া পূৰ্বৰ পাৰ্মিয়ান সামূহিক বিলুপ্তিকৰণৰ দৰে ধৰাৰ বুকুত জীৱ জগতৰ অস্তিত্ব মহাসংকটৰ সন্মুখীন হ'ব। ইয়াৰ পৰিণতিতে চলিত শতিকাৰ শেষাৰ্ধত ধৰাৰ বুকুত জীৱ জগতৰ মহাবিলুপ্তিয়ে চৰম সীমাত উপনীত হ'ব। অধ্যাপক ৰথমেনৰ মতে, মহাসাগৰসমূহত ৩১০ গিগাটন পৰিমাণৰ কাৰ্বন জমা হ'লে ইয়াৰ পৰিণতিত পৃথিৱীৰ জলভাগত বৰ্তমানে থকা জীৱ জগতৰ অস্তিত্ব ৰক্ষা কৰাটো অসম্ভৱ প্ৰায় হ'ব। বৰ্তমানে যি হাৰত সাগৰ-মহাসাগৰত কাৰ্বনৰ পৰিমাণ বৃদ্ধি পাব ধৰিছে সেয়া অব্যাহত থাকিলে ২১০০ত সমুদ্ৰত ৩১০ গিগাটন কাৰ্বন জমা হোৱাটো নিশ্চিত বুলি জানিবলৈ দি এম আই টিৰ গৱেষকগৰাকীয়ে কয় যে সমুদ্ৰত কাৰ্বনৰ পৰিমাণে ওপৰোক্ত সীমা স্পৰ্শ কৰিলে সামুদ্ৰিক জীৱ জগৎ মহাবিলুপ্তিৰ সন্মুখীন হোৱাটো নিশ্চিত।

১৯ শতিকাৰ পৰাই ধৰাত বৃদ্ধি পাইছে কাৰ্বনৰ পৰিমাণ

এম আই টিৰ অধ্যাপক ডেনিয়েল ৰথমেনে প্ৰকাশ কৰা এই ভৱিষ্যদ্বাণীত কৈছে যে মূলতঃ পৃথিৱীৰ বুকুত কাৰ্বনৰ পৰিমাণ অত্যধিক বৃদ্ধিৰ ফলতে ধৰাই ষষ্ঠবাৰৰ বাবে মহাবিলুপ্তিৰ সন্মুখীন হোৱাৰ শংকা আছে। বিজ্ঞানীগৰাকীয়ে লগতে পৰিসংখ্যা প্ৰকাশ কৰি কৈছে যে বিশ্বজুৰি ১৯ শতিকাৰ পৰাই ক্ৰমে কাৰ্বনৰ পৰিমাণ উদ্বেগজনক হাৰত বৃদ্ধি পাই আহিছে। ১৯ৰ শতিকাত হোৱা ব্যাপক উদ্যোগীকৰণ আৰু যানবাহনৰ ন বৃহৎ উদ্যোগৰ প্ৰতিষ্ঠাৰ ফলত ধৰাৰ বুকুত কাৰ্বনডাই অক্সাইডৰ পৰিমাণ বৃদ্ধি পাব ধৰিছে। একে সময়তে বনাঞ্চল ধ্বংসকৰণ আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ কাৰকেও ধৰাৰ বুকুত মহাবিলুপ্তিৰ বাবে জগৰীয়া কাৰ্বনৰ পৰিমাণ বৃদ্ধিত প্ৰভাৱ পেলাইছে। এন আই টিৰ অধ্যাপকগৰাকীয়ে লগতে কয় যে

গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিণতিতে হ'ব ধৰাৰ মহাবিলুপ্তি

পৃথিৱীৰ সম্ভাব্য ষষ্ঠ মহাবিলুপ্তিৰ বাবে বিশ্বজুৰি অব্যাহত থকা উষ্ণতা বৃদ্ধিৰ সমস্যাটোও সমানে জগৰীয়া বুলি ৰথমেনে বিশ্লেষণ কৰিছে। এম পৰিমাণ বৃদ্ধিৰ ফলত ধৰাই পূৰ্বেও সংকটৰ সন্মুখীন হৈছিল। গোলকীয় উষ্ণতা বৃদ্ধিয়ে জীৱকূলৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰাৰ বহু প্ৰমাণ ইতিমধ্যে উন্মোচিত হৈছে। বিশেষকৈ সমুদ্ৰৰ জলস্তৰ বৃদ্ধি, ৰবফৰ গলনৰ ফলত সামুদ্ৰিক বহু জীৱ-জন্তুৰ লগতে মেৰু অঞ্চলত বাস কৰা প্ৰাণীকূল কিদৰে অস্তিত্বৰ সংকটত ভুগিছে সেই তথ্য বিজ্ঞানীসকলে ইতিপূৰ্বে দাঙি ধৰিছে।

প্ৰকৃততে মহাবিলুপ্তিৰ বাবে কিমান সময়ৰ প্ৰয়োজন হ'ব?

বিজ্ঞানী ৰথমেনে গাণিতিক বিশ্লেষণৰ তথ্যৰ আধাৰত পূৰ্বানুমান কৰা মতে, ২১০০বৰ্ষৰ ভিতৰতে এই পৃথিৱীত মহাবিলুপ্তিৰ আৰম্ভ হ'ব। কিন্তু প্ৰকৃততে বিজ্ঞানীগৰাকীৰ এই ভৱিষ্যদ্বাণী সত্যত পৰিণত হ'বনে? এতিয়ালৈকে ৰথমেনৰ দৰে বহু বিজ্ঞানীয়ে পৃথিৱী ধ্বংস হ'ব, জীৱ জগৎ বিলুপ্ত হ'ব— আদি ধৰণৰ বহু ভৱিষ্যদ্বাণী বা পূৰ্বানুমান কৰি আহিছে। কিন্তু এতিয়ালৈকে এনে ধৰণৰ ভৱিষ্যদ্বাণীৰ সত্যতা বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিবলৈ সক্ষম হোৱা নাই। পূৰ্বৰ দৰেই অব্যাহত আছে ধৰাৰ বুকুত জীৱ জগতৰ অস্তিত্ব।

অৱশ্যে জলবায়ুৰ পৰিৱৰ্তনৰ লগতে আন কেতবোৰ কাৰকৰ প্ৰভাৱত ধৰাৰ বুকুৰ পৰা নানা জীৱকূল বিলুপ্ত হোৱাটো সত্য, কিন্তু সামূহিক বা মহাবিলুপ্তি প্ৰকৃততে এই ধৰাত কেতিয়া হ'ব সেয়া নিশ্চিতকৈ কোৱাটো কোনো বিজ্ঞানীৰ বাবে সম্ভৱ নহ'ব। অধ্যাপক ৰথমেনে মহাবিলুপ্তিকৰণৰ যি ব্যাখ্যা আগবঢ়াইছে সেয়া এক গাণিতিক তথ্যৰ বিশ্লেষণৰ আধাৰত নিৰ্ণিত। বিজ্ঞানীগৰাকীৰ তথ্য মতে, ৩১০ গিগাটন কাৰ্বন মহাসাগৰত জমা হ'লে সামুদ্ৰিক জীৱকূল মহাসংকটৰ সন্মুখীন হ'ব। বৰ্তমানৰ হাৰত মহাসমুদ্ৰত কাৰ্বনৰ পৰিমাণ বৃদ্ধি অব্যাহত থাকিলে ২১০০ বৰ্ষৰ ভিতৰতে ৩১০ গিগাটন কাৰ্বন জমা হ'ব আৰু ইয়াৰ আধাৰতে এম আই টিৰ গৱেষকগৰাকীয়ে বিশ্বত মহাবিলুপ্তি আৰম্ভ হ'ব বুলি শংকা প্ৰকাশ কৰিছে। ৰথমেনে লগতে কৈছে যে মহাবিলুপ্তিকৰণ যে কাইলৈয়ে আৰম্ভ হ'ব বুলি কোনেও ক'ব নোৱাৰে, এনে এক বিলুপ্তকৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ বাবে কেতিয়াবা ১০,০০০ বছৰৰো অপেক্ষা কৰিব লাগিব পাৰে। পাৰিপাৰ্শ্বিক মহাদুৰ্যোগ কেতিয়া কেনেকৈ আৰম্ভ হয় সেয়া নিশ্চিতকৈ কোৱাটো সম্ভৱ নহয় বুলিও ৰথমেনে কৈছে।

পূৰ্বৰ পাঁচ সামূহিক বিলুপ্তকৰণ

এই পৃথিৱীত পূৰ্বে পাঁচবাৰকৈ জীৱ জগতে মহাবিলুপ্তিৰ সন্মুখীন হৈছিল। বিজ্ঞানীসকলৰ তথ্য অনুসৰি তলত দিয়া ধৰণে ধৰাত ক্ৰম অনুসৰি সামূহিক বিলুপ্তকৰণ প্ৰক্ৰিয়া সূচনা হৈছিল—

অৰ্ডে'ভিচিয়ান সামূহিক বিলুপ্তিকৰণ ঃ বিজ্ঞানীসকলৰ মতে, প্ৰায় ৫৪০ নিযুত বৰ্ষৰ পূৰ্বে এই ধৰাৰ বুকুত প্ৰথমটো বৃহৎ সামূহিক বিলুপ্তিকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। সেই সময়ত কেৱল সমুদ্ৰতহে জীৱৰ অস্তিত্ব লাভ কৰা হৈছিল আৰু এই মহাবিলুপ্তিৰ ফলত সমুদ্ৰৰ ৮৫ শতাংশ জীৱকূলৰ অস্তিত্ব মোচন হৈছিল।

ডেভ'নিয়ান সামূহিক বিলুপ্তিকৰণ ঃ ধৰাৰ বুকুত প্ৰায় ৩৭৫-৩৫৯ নিযুত বৰ্ষৰ পূৰ্বে সংঘটিত হৈছিল দ্বিতীয়টো সামূহিক মহাবিলুপ্তিকৰণ। প্ৰাকৃতিক পৰিবেশৰ বৃহৎ পৰিৱৰ্তনৰ ফলত পৃথিৱীৰ জলভাগত থকা প্ৰায়বোৰ বৃহৎ মৎস্য প্ৰজাতিৰ লগতে অন্যান্য জীৱকুল এই মহাবিলুপ্তিকৰণৰ বলি হৈছিল।

পাৰ্মিয়ান সামূহিক বিলুপ্তিকৰণ ঃ বিজ্ঞানীসকলে অনুমান কৰা মতে, ২৫২ নিযুত বৰ্ষৰ পূৰ্বে পৃথিৱীৰ বুকুত সংঘটিত হৈছিল তৃতীয়টো সবাতোকৈ বৃহৎ সামূহিক বিলুপ্তিকৰণ প্ৰক্ৰিয়া। পাৰ্মিয়ান সামূহিক বিলুপ্তিকৰণৰ ফলত এই পৃথিৱীৰ পৰা ৯৭ শতাংশ জীৱকুল অন্তৰ্ধান হৈছিল।

ট্ৰায়াচিক সামূহিক বিলুপ্তিকৰণ ঃ বিজ্ঞানীসকলে ধাৰণা কৰা মতে, ২০১ নিযুত বৰ্ষৰ পূৰ্বে পৃথিৱীত চতুৰ্থটো সামূহিক বিলুপ্তিকৰণ প্ৰক্ৰিয়াৰ আগমন ঘটিছিল। ট্ৰায়াচিক মহাবিলুপ্তিৰ ফলত ধৰাৰ পৰা বহু সৰীসৃপ প্ৰজাতিৰ প্ৰাণীৰ অস্তিত্ব ধ্বংসৰ গৰাহত পৰিছিল। ট্ৰায়াচিক যুগৰ আৰম্ভণিতে ডাইনোছৰে পৃথিৱীত প্ৰথম বিচৰণ কৰিছিল।

ক্ৰীটেছচ সামূহিক বিলুপ্তিকৰণ ঃ ৬৬ নিযুত বৰ্ষৰ পূৰ্বে পৃথিৱীত পঞ্চমটো সামূহিক মহাবিলুপ্তিৰ ঘটনা সংঘটিত হৈছিল। এই যুগতে মহাবিলুপ্তিৰ প্ৰভাৱত ধৰাৰ বুকুৰ পৰা ডাইনোছৰ অন্তৰ্ধান হৈছিল বুলি বিজ্ঞানীসকলে কয়।